**Signature and Name of Invigilator**

1. (Signature) ____________________________
   (Name) ____________________________
2. (Signature) ____________________________
   (Name) ____________________________

OMR Sheet No. : ........................................
(To be filled by the Candidate)

Roll No. | | | | | | | | |

(In figures as per admission card)

Roll No.________________________________
(In words)

**D-3609**

**Test Booklet No.**

Time : **1 $^{1}/_{4}$** hours]

# PAPER-II
# ASSAMESE

[Maximum Marks : **100**

| Number of Pages in this Booklet : **16** | Number of Questions in this Booklet : **50** |
|---|---|

## Instructions for the Candidates

1. Write your roll number in the space provided on the top of this page.
2. This paper consists of fifty multiple-choice type of questions.
3. At the commencement of examination, the question booklet will be given to you. In the first 5 minutes, you are requested to open the booklet and compulsorily examine it as below :
   (i) To have access to the Question Booklet, tear off the paper seal on the edge of this cover page. Do not accept a booklet without sticker-seal and do not accept an open booklet.
   (ii) **Tally the number of pages and number of questions in the booklet with the information printed on the cover page. Faulty booklets due to pages/questions missing or duplicate or not in serial order or any other discrepancy should be got replaced immediately by a correct booklet from the invigilator within the period of 5 minutes. Afterwards, neither the Question Booklet will be replaced nor any extra time will be given.**
   (iii) After this verification is over, the Test Booklet Number should be entered in the OMR Sheet and the OMR Sheet Number should be entered on this Test Booklet.
4. Each item has four alternative responses marked (A), (B), (C) and (D). You have to darken the oval as indicated below on the correct response against each item.
   **Example :** (A) (B) ⬤ (D)
   where (C) is the correct response.
5. Your responses to the items are to be indicated in the **Answer Sheet given inside the Paper I Booklet only.** If you mark at any place other than in the ovals in the Answer Sheet, it will not be evaluated.
6. Read instructions given inside carefully.
7. Rough Work is to be done in the end of this booklet.
8. If you write your name or put any mark on any part of the test booklet, except for the space allotted for the relevant entries, which may disclose your identity, you will render yourself liable to disqualification.
9. You have to return the test question booklet and OMR Answer sheet to the invigilators at the end of the examination compulsorily and must not carry it with you outside the Examination Hall.
10. **Use only Blue/Black Ball point pen.**
11. **Use of any calculator or log table etc., is prohibited.**
12. **Negative Marking :- For each incorrect answer, 0.5 marks shall be deducted.**

## परीक्षार्थियों के लिए निर्देश

1. पहले पृष्ठ के ऊपर नियत स्थान पर अपना रोल नम्बर लिखिए ।
2. इस प्रश्न-पत्र में पचास बहुविकल्पीय प्रश्न हैं ।
3. परीक्षा प्रारम्भ होने पर, प्रश्न-पुस्तिका आपको दे दी जायेगी । पहले पाँच मिनट आपको प्रश्न-पुस्तिका खोलने तथा उसकी निम्नलिखित जाँच के लिए दिये जायेंगे जिसकी जाँच आपको अवश्य करनी है :
   (i) प्रश्न-पुस्तिका खोलने के लिए उसके कवर पेज पर लगी कागज की सील को फाड़ लें । खुली हुई या बिना स्टीकर-सील की पुस्तिका स्वीकार न करें ।
   (ii) **कवर पृष्ठ पर छपे निर्देशानुसार प्रश्न-पुस्तिका के पृष्ठ तथा प्रश्नों की संख्या को अच्छी तरह चैक कर लें कि ये पूरे हैं । दोषपूर्ण पुस्तिका जिनमें पृष्ठ/प्रश्न कम हों या दुबारा आ गये हों या सीरियल में न हों अर्थात किसी भी प्रकार की त्रुटिपूर्ण पुस्तिका स्वीकार न करें तथा उसी समय उसे लौटाकर उसके स्थान पर दूसरी सही प्रश्न-पुस्तिका ले लें । इसके लिए आपको पाँच मिनट दिये जायेंगे । उसके बाद न तो आपकी प्रश्न-पुस्तिका वापस ली जायेगी और न ही आपको अतिरिक्त समय दिया जायेगा ।**
   (iii) इस जाँच के बाद प्रश्न-पुस्तिका की क्रम संख्या OMR पत्रक पर अंकित करें और OMR पत्रक की क्रम संख्या इस प्रश्न-पुस्तिका पर अंकित कर दें ।
4. प्रत्येक प्रश्न के लिए चार उत्तर विकल्प (A), (B), (C) तथा (D) दिये गये हैं । आपको सही उत्तर के दीर्घवृत्त को पेन से भरकर काला करना है जैसा कि नीचे दिखाया गया है ।
   **उदाहरण :** (A) (B) ⬤ (D)
   जबकि (C) सही उत्तर है ।
5. प्रश्नों के उत्तर **केवल प्रश्न पत्र I के अन्दर दिये गये उत्तर-पत्रक पर ही** अंकित करने हैं । यदि आप उत्तर पत्रक पर दिये गये दीर्घवृत्त के अलावा किसी अन्य स्थान पर उत्तर चिह्नांकित करते हैं, तो उसका मूल्यांकन नहीं होगा ।
6. अन्दर दिये गये निर्देशों को ध्यानपूर्वक पढ़ें ।
7. कच्चा काम (Rough Work) इस पुस्तिका के अन्तिम पृष्ठ पर करें ।
8. यदि आप उत्तर-पुस्तिका पर अपना नाम या ऐसा कोई भी निशान जिससे आपकी पहचान हो सके, किसी भी भाग पर दर्शाते या अंकित करते हैं तो परीक्षा के लिये अयोग्य घोषित कर दिये जायेंगे ।
9. आपको परीक्षा समाप्त होने पर प्रश्न-पुस्तिका एवं OMR उत्तर-पत्रक निरीक्षक महोदय को लौटाना आवश्यक है और परीक्षा समाप्ति के बाद उसे अपने साथ परीक्षा भवन से बाहर न लेकर जायें ।
10. **केवल नीले/काले बाल प्वाईंट पैन का ही इस्तेमाल करें ।**
11. **किसी भी प्रकार का संगणक (कैलकुलेटर) या लाग टेबल आदि का प्रयोग वर्जित है ।**
12. **नेगेटिव अंक प्रणाली : प्रत्येक गलत उत्तर के लिए 0.5 अंक काटे जाएँगे ।**

**ASSAMESE**

**অসমীয়া**

**Paper-II**

**পেপাৰ-II**

**Note :** This paper contains **fifty (50)** objectives type questions, each question carrying **two (2)** marks. Attempt all the questions.

**টোকা :** এই প্ৰশ্নকাকতত বহু-বিকল্পীয় **50 (পঞ্চাছ)** টা প্ৰশ্ন আছে । প্ৰতিটো প্ৰশ্নৰ মূল্যাংক **2(দুই)** । সকলো প্ৰশ্নৰ উত্তৰ কৰিবা ।

তলৰ 1 ৰ পৰা 20 লৈ দিয়া প্ৰতিটো প্ৰশ্নৰ তলৰ A, B, C, D চাৰিটা বিকল্প দিয়া হৈছে । তাৰে পৰা শুদ্ধ উত্তৰটো বাচি উলিওৱা ।

**1.** ‘জয়দ্ৰথ বধ’ কাব্যৰ ৰচক -

(A) কবিৰত্ন সৰস্বতী

(B) ৰুদ্ৰ সৰস্বতী

(C) হেম সৰস্বতী

(D) ৰাম সৰস্বতী

**2.** শংকৰদেৱৰ ‘ভক্তি ৰত্নাকৰ’ পুথিৰ ভাষা -

(A) ব্ৰজাৱলী

(B) সংস্কৃত

(C) প্ৰাকৃত

(D) অসমীয়া

**3.** মাধৱদেৱে যোগ দিয়া ভটিমা বিধ -

(A) দেৱ ভটিমা

(B) ৰাজ ভটিমা

(C) গুৰু ভটিমা

(D) নাটকীয় ভটিমা

4. ‘ভক্তি ৰত্নাৱলী’ ৰ মূল লেখক -

(A) হৰিদেৱ

(B) ভট্টদেৱ

(C) বিষ্ণুপূৰী

(D) শ্ৰীধৰ স্বামী

5. ‘পদ্মা পুৰাণ’ ৰ ৰচক -

(A) মনকৰ

(B) সুকবি নাৰায়ণদেৱ

(C) পীতাম্বৰ

(D) দুৰ্গাবৰ

6. ‘হস্তি বিদ্যাৰ্নৱ সাৰ’ সংগ্ৰহ ৰ পৃষ্ঠপোষক ৰজাজন -

(A) জয়ধ্বজ সিংহ

(B) চক্ৰধ্বজ সিংহ

(C) শিৱসিংহ

(D) ৰুদ্ৰ সিংহ

7. প্ৰকাশিত ‘বৰদোৱা চৰিত’ ৰ সম্পাদক -

(A) মহেশ্বৰ নেওগ

(B) সত্যেন্দ্ৰনাথ শৰ্মা

(C) বানীকান্ত কাকতি

(D) লক্ষ্মীনাথ বেজবৰুৱা

8. ‘অৰুনোদই’ সম্বাদ পত্ৰৰ প্ৰথমজন সম্পাদক -

(A) নেথান ব্ৰাউন

(B) ওলিভাৰ তমাছ কট্টাৰ

(C) মাইলছ ব্ৰন্‌ছন্

(D) এ. কে. গাৰ্নী

9. আৰাহন আলোচনীৰ প্ৰথম প্ৰকাশৰ চন -

(A) 1846

(B) 1929

(C) 1940

(D) 1889

10. ‘দলঙৰ তামীঘৰা’ পুথিৰ ৰচক -

(A) দেৱকান্ত বৰুৱা

(B) নৱকান্ত বৰুৱা

(C) হেম বৰুৱা

(D) বিনন্দ চন্দ্ৰ বৰুৱা

11. কবিৰত্ন বৈকুণ্ঠনাথৰ পান্ডিত্যৰ বিভূষা -

(A) ভাগৱত ভট্টাচাৰ্য্য

(B) ভাগৱত ৰত্ন

(C) ভাগৱত আচাৰ্য্য

(D) ভাগৱত মিশ্ৰ

12. ‘লভিতা’ ৰ প্ৰধান পুৰুষ চৰিত্ৰ -

(A) সুদৰ্শন

(B) গোলাপ

(C) মায়াব

(D) জুনাফা

13. ‘ৰসাত্মকং বাক্যং কাব্যম্’ বুলি কওঁতাজন -

(A) বামন

(B) দন্ডী

(C) ভামহ

(D) আনন্দ বৰ্ধন

14. প্ৰথম অসমীয়া চনেট কবিতা -

(A) প্ৰিয়তমা

(B) প্ৰিয়তমাৰ চিঠি

(C) প্ৰিয়তমাৰ সৌন্দৰ্য

(D) প্ৰিয়তমালৈ

15. চিংফৌ ভাষাৰ মূল -

(A) চীন-তিব্বতীয়

(B) শাম-চীনীয়

(C) অষ্ট্ৰিক

(D) মঙ্গোলীয়

16. এবিধ মাছ ধৰা সঁজুলিৰ নাম -

(A) জবকা

(B) দলঙা

(C) গৰকা

(D) কতৰা

17. অসমীয়া ভাষাৰ প্ৰথম গৱেষক জন -

(A) কালিৰাম মেধি

(B) উপেন্দ্ৰনাথ গোস্বামী

(C) দেৱানন্দ ভৰালী

(D) বাণীকান্ত কাকতি

18. Comparative literature অভিধাটো প্ৰথম প্ৰয়োগ কৰ্তা -

(A) ৰবীন্দ্ৰনাথ ঠাকুৰ

(B) মেথিউ আৰ্নল্ড

(C) জৰ্জ চেইন্টচ্‌বেৰী

(D) গোটে

**19.** অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি কেইটা ?

(A) 8 টা

(B) 9 টা

(C) 7 টা

(D) 11 টা

**20.** মান্য অসমীয়া ভাষাত শ্বাসাঘাত ক'ত পৰে ?

(A) আদ্যাক্ষৰত

(B) উপধাক্ষৰত

(C) মধ্যাক্ষৰত

(D) অন্ত্যাক্ষৰত

তনৰ **21** ৰ পৰা **30** লৈ দিয়া প্ৰতিটো মন্তব্য যুক্তিৰে বিশ্লেষণ কৰি বা কাৰ্যকৰণ নিৰ্ণয় কৰি A, B, C, D চাৰিটা বিকল্প উত্তৰ দিয়া হৈছে । তাৰে পৰা শুদ্ধ উত্তৰটো চিহ্নিত কৰাঁ ।

**21.** শংকৰদেৱে ভাগৱতৰ আদি দশম অসমীয়ালৈ অনুবাদ কৰাৰ মূখ্য কাৰণ -

(A) শংকৰদেৱ সংস্কৃতত বিদগ্ধ পন্ডিত আছিল

(B) ভাগৱতৰ কোনো অনুবাদ গ্ৰন্থ নাছিল

(C) দশম এখন ভক্তি তত্ব মূলক গ্ৰন্থ আছিল

(D) ভাগৱতৰ সাৰমৰ্ম সৰ্বসাধাৰণক বোধগম্য কৰোৱাৰ উদ্দেশ্য আছিল ।

**22.** মাধৱদেৱে গীত-নাট শিশু কৃষ্ণক প্ৰাধান্য দিয়াৰ কাৰণ -

(A) শিশু কৃষ্ণক নায়কৰূপেলৈ গীত-নাট ৰচনা হোৱা নাছিল

(B) শংকৰদেৱে মাধৱদেৱক শিশুকৃষ্ণক লৈ গীত-নাট ৰচনা কৰিবলৈ নিৰ্দেশ দিছিল ।

(C) শিশু কৃষ্ণৰ কাৰ্যকলাপে মাধৱদেৱক মোহিত কৰিছিল ।

(D) বাৎসল্য ৰসৰ যোগেদি ভক্তিতত্ব প্ৰচাৰ কৰাৰ উদ্দেশ্য আছিল ।

23. শংকৰদেৱে পীতাম্বৰ কবিক ‘ধৰ্ম ধৰিবাৰ যিটো যোগ্য নোহে লোক’ বোলাৰ কাৰণ -

(A) পিতাম্বৰ কবি বৈষ্ণৱ কবি নাছিল ।

(B) পিতাম্বৰ কবিৰ ৰচনাত আদি ৰসৰ প্ৰাচুৰ্য আছিল ।

(C) পীতাম্বৰ কবিয়ে ভক্তিতকৈ বাহ্যিক সৌন্দৰ্য ক অধিক গুৰুত্ব দিছিল ।

(D) পীতাম্বৰ কবি শক্তি পূজক আছিল ।

24. ‘জোনাকী’ কাকতৰ জন্মৰ আঁৰৰ কাৰণ -

(A) অসমীয়া ভাষাত আলোচনী – কাকতৰ অভাৱ

(B) পাশ্চাত্য সাহিত্যৰ প্ৰভাৱ ।

(C) প্ৰবাসী অসমীয়া ছাত্ৰসকলৰ ভাষা-সাহিত্যৰ প্ৰতি থকা প্ৰেম ।

(D) নৱজাগৰণৰ প্ৰভাৱ ।

25. তুলনামূলক সাহিত্যত অনুবাদ এটি গুৰুত্বপূৰ্ণ দিশ, কাৰণ -

(A) অনুবাদ এবিধ কঠিন কলা ।

(B) অনুবাদৰ যোগেদি বিশ্ব সাহিত্যৰ সোৱাদ পাব পাৰি ।

(C) মূল লেখকতকৈ অনুবাদকৰ দায়িত্ব বেছি ।

(D) অনুবাদক শিক্ষনীয় ৰীতি হিচাপে গন্য কৰা হয় ।

26. হেন শুনি জাম্বৱন্ত
ধাইলা মহা বলৱন্ত ।।
নিচিনি স্বামীক পাছে
ধৱিলন্ত যুদ্ধ কাছে ।।

ওপৰৰ পদ দুফাঁকিৰ ছন্দৰ নাম -

(A) দুলড়ী

(B) লেছাৰী

(C) ছবি

(D) ঝুমুৰী

27. ‘পয়চাংকেন’ উৎসৱ কি ?

(A) পূৰ্ব পুৰুষৰ তৰ্পণ উৎসৱ

(B) কৃষিৰ লগত জড়িত উৎসৱ

(C) এক বসন্ত উৎসৱ

(D) গৃহ দেৱতাৰ পূজা উৎসৱ

28. দয়াময় দীননাথ দয়া দান দিয়া

কাকৃতি কৰিছো মই কাতৰ কৰিয়া ।

ওপৰৰ কবিতা ফাঁকিৰ অলঙ্কাৰৰ নাম -

(A) যমক

(B) বৃত্তানুপ্ৰাস

(C) ৰূপক

(D) অনুপ্ৰাস

29. ‘জাৰী’ গীতবোৰ করুণ ৰসাত্মক – কাৰণ

(A) পৰিবেশনত করুণ অভিব্যক্তিৰ প্ৰকাশ ঘটে

(B) ভক্তিচিন্তাৰ আধিক্য দেখা যায় ।

(C) বিলম্বিত সুৰত পৰিবেশন কৰা হয় ।

(D) কাৰবালাৰ করুণ কাহিনী বৰ্ণনা কৰা হয় ।

30. পঢ়াশালি আৰু আদালতৰ পৰা অপসাৰিত হোৱা - অসমীয়া ভাষাৰ পুনৰ্বাসনৰ বাবে বেপ্টিষ্টসকলে যুদ্ধ কৰাৰ কাৰণ -

(A) পঢ়াশালিত মাতৃভাষাৰ শিক্ষা প্ৰচাৰৰ সুবিধা হ’ব বুলি ভাবিছিল ।

(B) অসমীয়া ভাষাৰ অবিহনে বেপ্টিষ্টসকলে খ্ৰীষ্ট ধৰ্ম প্ৰচাৰ কৰাত ব্যাঘাত জন্মিব বুলি ভাবিছিল ।

(C) অসমীয়া ভাষাৰ প্ৰতি বেপ্টিষ্টসকলৰ প্ৰীতিভাব আছিল ।

(D) অসমীয়া ভাষা শিকি কি তাপ লিখিবলৈ বিচাৰিছিল ।

তলৰ **31** ৰ পৰা **38** লৈ থকা প্ৰশ্নসমূহৰ প্ৰতিটো প্ৰশ্নতে উল্লেখ কৰা আলোচনী / লেখক / নৃগোষ্ঠীৰ যথাক্ৰমে প্ৰকাশন / জন্ম / প্ৰব্ৰজনৰ সময় অনুমতি একাদিক্ৰমে তালিকাবদ্ধ কৰি A, B, C, D চাৰিটা বিকল্প দিয়া হৈছে । তাৰে শুদ্ধ উত্তৰটো চিহ্নিত কৰা ।

**31.** (i) অনন্ত কন্দলি

(ii) মাধৱ কন্দলি

(iii) শ্ৰীধৰ কন্দলি

(iv) ৰুদ্ৰ কন্দলি

(A) (ii) (iv) (i) (iii)

(B) (i) (iii) (ii) (iv)

(C) (iv) (i) (iii) (ii)

(D) (iii) (ii) (iv) (i)

**32.** (i) ভক্তি প্ৰদীপ

(ii) ৰাম বিজয়

(iii) পত্নী প্ৰসাদ

(iv) পাৰিজাত হৰণ

(A) (ii) (i) (iii) (iv)

(B) (i) (iii) (iv) (ii)

(C) (iii) (iv) (ii) (i)

(D) (iv) (ii) (i) (iii)

**33.** (i) কদমকলি

(ii) বনফুল

(iii) জ্ঞান মালিনী

(iv) সন্ধিয়াৰ সুৰ

(A) (ii) (iv) (iii) (i)

(B) (i) (ii) (iv) (iii)

(C) (iv) (iii) (i) (ii)

(D) (iii) (i) (ii) (iv)

**34.** (i) কুটিল লিপি

(ii) গুপ্ত লিপি

(iii) ব্ৰাহ্মী লিপি

(iv) অসমীয়া লিপি

(A) (ii) (i) (iv) (iii)

(B) (iii) (ii) (i) (iv)

(C) (i) (iv) (iii) (ii)

(D) (iv) (iii) (ii) (i)

**35.** (i) A few Remarks on the Assamese Language and on Vernacular Education in Assam.

(ii) A Grammar of the Assamese Language.

(iii) Grammatical Notices of the Assamese Language.

(iv) Vocabulary and Phrases.

(A) (i) (iii) (ii) (iv)

(B) (ii) (iv) (iii) (i)

(C) (iv) (ii) (i) (iii)

(D) (iii) (i) (iv) (ii)

**36.** (i) পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি

(ii) আহোম জাতি আৰু অসমীয়া সংস্কৃতি

(iii) পবিত্ৰ অসম

(iv) উছৱৰ ভোগজৰা

(A) (ii) (iv) (i) (iii)

(B) (i) (iii) (ii) (iv)

(C) (iii) (ii) (iv) (i)

(D) (iv) (i) (iii) (ii)

37. (i) জীৱনৰ বাট ত
(ii) জীৱন নৈৰ জাঁজি
(iii) বনজুই
(iv) পিতা-পুত্ৰ

(A) (ii) (iii) (iv) (i)
(B) (iii) (iv) (i) (ii)
(C) (i) (ii) (iii) (iv)
(D) (iv) (i) (ii) (iii)

38. (i) দেবানন্দ ভৰালী
(ii) হেমচন্দ্ৰ বৰুৱা
(iii) কালিৰাম মেধি
(iv) বাণীকান্ত কাকতি

(A) (ii) (i) (iii) (iv)
(B) (iii) (ii) (iv) (i)
(C) (i) (iv) (ii) (iii)
(D) (iv) (iii) (i) (ii)

তলৰ **39** ৰ পৰা **45** লৈ দিয়া প্ৰশ্নসমূহত 'ক' স্তম্ভত থকা বিষয়ৰ লগত সম্পৰ্ক থকা 'খ' স্তম্ভত দিয়া বিষয় সমূহক মিলাই A, B, C, D এই চাৰিটা বিকল্প দেখুওৱা হৈছে । তাৰে পৰা শুদ্ধ উত্তৰটো চিহ্নিত কৰাঁ ।

39.

| | **স্তম্ভ 'ক'** | | **স্তম্ভ 'খ'** |
|---|---|---|---|
| (i) | ভক্তি মঙ্গল ঘোষা | 1. | মাধৱদেৱ |
| (ii) | ন ঘোষা | 2. | শংকৰদেৱ |
| (iii) | নামঘোষা | 3. | পুৰুষোত্তম ঠাকুৰ |
| (iv) | কীৰ্তন ঘোষা | 4. | অনিৰুদ্ধদেৱ |
| | | 5. | গোপালদেৱ |

| | (i) | (ii) | (iii) | (iv) |
|---|---|---|---|---|
| (A) | 1 | 2 | 4 | 3 |
| (B) | 4 | 3 | 1 | 2 |
| (C) | 5 | 1 | 3 | 4 |
| (D) | 3 | 4 | 2 | 1 |

40. স্তম্ভ ‘ক’ — স্তম্ভ ‘খ’

| স্তম্ভ ‘ক’ | | স্তম্ভ ‘খ’ | |
|---|---|---|---|
| (i) | সাহিত্যাচাৰ্য | 1. | লক্ষ্মীনাথ বেজবৰুৱা |
| (ii) | নটসূৰ্য | 2. | গোলোক চন্দ্ৰ গোস্বামী |
| (iii) | ৰসৰাজ | 3. | ফনী শৰ্মা |
| (iv) | ভাষাচাৰ্য | 4. | বিষ্ণুপ্ৰসাদ ৰাভা |
| | | 5. | অতুল চন্দ্ৰ হাজৰিকা |

| | (i) | (ii) | (iii) | (iv) |
|---|---|---|---|---|
| (A) | 5 | 3 | 1 | 2 |
| (B) | 3 | 2 | 4 | 1 |
| (C) | 4 | 1 | 3 | 5 |
| (D) | 1 | 4 | 2 | 3 |

41. স্তম্ভ ‘ক’ — স্তম্ভ ‘খ’

| স্তম্ভ ‘ক’ | | স্তম্ভ ‘খ’ | |
|---|---|---|---|
| (i) | অৰুণ | 1. | নলিনীবালা দেৱী |
| (ii) | প্ৰানৰ শৰাই | 2. | ধৰ্মেশ্বৰী দেৱী বৰুৱানী |
| (iii) | অলকানন্দা | 3. | আজলি তৰা নেওগ |
| (iv) | বিননি | 4. | হিমলা বৰুৱানী |
| | | 5. | যমুনেশ্বৰী খাটনিয়াৰ |

| | (i) | (ii) | (iii) | (iv) |
|---|---|---|---|---|
| (A) | 3 | 4 | 2 | 5 |
| (B) | 5 | 2 | 1 | 4 |
| (C) | 2 | 3 | 4 | 1 |
| (D) | 1 | 5 | 3 | 2 |

42. স্তম্ভ ‘ক’ — স্তম্ভ ‘খ’

| স্তম্ভ ‘ক’ | | স্তম্ভ ‘খ’ | |
|---|---|---|---|
| (i) | ভৰিৰ অলংকাৰ | 1. | চিতি পাতি |
| (ii) | কঁকালৰ অলংকাৰ | 2. | ফুটিমণি |
| (iii) | ডিঙিৰ অলংকাৰ | 3. | কৰধনি |
| (iv) | হাতৰ অলংকাৰ | 4. | উঝন্তি |
| | | 5. | বাজু |

| | (i) | (ii) | (iii) | (iv) |
|---|---|---|---|---|
| (A) | 2 | 4 | 3 | 1 |
| (B) | 1 | 5 | 4 | 2 |
| (C) | 4 | 3 | 2 | 5 |
| (D) | 3 | 2 | 1 | 4 |

**43.** স্তম্ভ ‘ক’ / স্তম্ভ ‘খ’

| স্তম্ভ ‘ক’ | | স্তম্ভ ‘খ’ | |
|---|---|---|---|
| (i) | মৰ্জিয়ানা | 1. | অম্বিকাগিৰি ৰায়চৌধুৰী |
| (ii) | শকুনিৰ প্ৰতিশোধ | 2. | অতুলচন্দ্ৰ হাজৰিকা |
| (iii) | বৈদেহী বিদায় | 3. | গনেশচন্দ্ৰ গগৈ |
| (iv) | জয়দ্ৰথ বধ | 4. | মিত্ৰদেৱ মহন্ত |
| | | 5. | পদ্মধৰ চলিহা |

| | (i) | (ii) | (iii) | (iv) |
|---|---|---|---|---|
| (A) | 3 | 4 | 5 | 2 |
| (B) | 4 | 2 | 3 | 5 |
| (C) | 1 | 5 | 2 | 3 |
| (D) | 2 | 3 | 4 | 1 |

**44.** স্তম্ভ ‘ক’ / স্তম্ভ ‘খ’

| স্তম্ভ ‘ক’ | | স্তম্ভ ‘খ’ | |
|---|---|---|---|
| (i) | কাৰবি | 1. | দ্ৰাবিড় |
| (ii) | খামতি | 2. | তিব্বতধৰ্মী |
| (iii) | তামিল | 3. | আৰ্য |
| (iv) | খাচী | 4. | অষ্ট্ৰিক |
| | | 5. | শ্যাম-চীনীয় |

| | (i) | (ii) | (iii) | (iv) |
|---|---|---|---|---|
| (A) | 3 | 2 | 4 | 1 |
| (B) | 2 | 5 | 1 | 4 |
| (C) | 4 | 3 | 2 | 5 |
| (D) | 1 | 4 | 3 | 2 |

**45.** স্তম্ভ ‘ক’ / স্তম্ভ ‘খ’

| স্তম্ভ ‘ক’ | | স্তম্ভ ‘খ’ | |
|---|---|---|---|
| (i) | বালিচন্দা | 1. | নীলমণি ফুকন |
| (ii) | নীলা ধুতুৰাৰ ফুল | 2. | হেম বৰুৱা |
| (iii) | মোৰ দেশ মোৰ প্ৰেমৰ কবিতা | 3. | হিৰেন্দ্ৰনাথ দত্ত |
| (iv) | মানুহ অনুকূলে | 4. | হীৰেণ ভট্টাচাৰ্য্য |
| | | 5. | মহেন্দ্ৰ বৰা |

| | (i) | (ii) | (iii) | (iv) |
|---|---|---|---|---|
| (A) | 2 | 5 | 4 | 3 |
| (B) | 1 | 2 | 3 | 4 |
| (C) | 3 | 4 | 2 | 1 |
| (D) | 5 | 3 | 1 | 2 |

তলৰ গদ্য খন্ড পঢ়ি তাৰ তলত **46** ৰ পৰা **50** লৈ দিয়া প্ৰশ্ন কেইটাৰ শুদ্ধ উত্তৰটো চিহ্নিত কৰাঁ ।

শংকৰদেৱৰ সৃজনী প্ৰতিভাৰ যথাসৰ্বস্ব নৱবৈষ্ণৱ আন্দোলন সফল কৰি তোলাত প্ৰয়োগ কৰিছিল । ভৰতৰ নাট্য শাস্ত্ৰ, সংস্কৃত ৰুপকৰ আৰ্হি আৰু থলুৱা উপাদানৰ সমন্বয়ত শংকৰদেৱে অংকীয়া নাট সৃষ্টি কৰি চৰিত্ৰ আৰু সংলাপৰ মাধ্যমত কৃষ্ণৰ ঐশ্বৰিক অভিব্যক্তি প্ৰকাশ কৰি শ্ৰোতা দৰ্শকৰ কোমল মনত ভক্তিৰ কঠিয়া সিঁচিছিল । 'নাট' শব্দটো প্ৰথমে বহুল ভাৱে ব্যৱহৃত হৈছিল যদিও পিছলৈ অংকীয়া নাট শব্দটো জনপ্ৰিয় হৈ উঠে । এই নাটকেৰ যথাৰ্থতে গীতি নৃত্য-নাট । সূত্ৰধাৰে সকলো সময়তে হাতেৰে অংহি-ভংগি কৰি প্ৰতীক ধৰ্মী মুদ্ৰাৰে গীতৰ লগত সামঞ্জস্য ৰাখি সম্ভাব্য কাহিনীৰ অৱতাৰনা কৰে । সূত্ৰধাৰেই অংকীয়া নাটক মূল ব্যক্তি, যি কাহিনীৰ আগলি চিনাকি দিয়াৰ উপষিত্ত দৃশ্য সমূহৰ মাজত সমন্বয় বা যোগসূত্ৰ ৰক্ষা কৰি দৰ্শক – শ্ৰোতাক নাটকৰ কাহিনী উপলব্ধি কৰাত সহায়তা কৰে । অভিনয়ৰ প্ৰতিও লক্ষ্য ৰখা হৈছিল । কাহিনীৰ চৰিত্ৰসমূহৰ বাস্তৱ-ধাৰনা মনলৈ আনি দৰ্শকক অভিভুত কৰিবলৈ ছোঁ, মুখা, অস্ত্ৰ-শস্ত্ৰ আৰু বস্ত্ৰ-অলংকাৰৰ সু প্ৰয়োগ কৰা হৈছিল, আনপিনে নাটক এখনৰ পৰিৱেশনৰ আনুষংগিক অনুষ্ঠান হিচাবে ধৰ্মীয় ৰীতি-নীতি সমূহ অপৰিহাৰ্য বুলি গন্য কৰা হৈছিল । খ্ৰীষ্টিয় পঞ্চদশ শতিকাতে আঞ্চলিক ভাষাত নাটক ৰচনা কৰি, সেই নাটকৰ সকল অভিনয় প্ৰদৰ্শন কৰি এক অভিনয় অভিলেখ স্থাপন কৰিছিল । অংকীয়া নাট ৰচনা আৰু ইয়াৰ অভিনয়ৰ অন্তৰালত যদিও ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য নিহিত হৈ আছিল, আনহাতে ইয়েই সুদূৰ পঞ্চদশ শতিকাতে অসমীয়া সংস্কৃতিক চহকী কৰি তুলিছিল । অংকীয়া নাটক কেন্দ্ৰ কৰি খোল-মৃদংগৰ বোল; তাল, নাচ, গীত অভিনয়ৰ বিভিন্ন অংগ বিকশিত হৈ উঠিছিল । আধুনিক থিয়েটাৰে গা-কৰি উঠাৰ আগলৈকে অসমৰ নগৰে-চহৰে অংকীয়া ভাওনাই আছিল আমোদ-আনন্দৰ সামূহিক অনুষ্ঠান । প্ৰতিখন গাৱঁতে বছৰেকত অন্ততঃ একোখন নাটৰ অভিনয় হোৱাটো পৰম্পৰাত পৰিনত হৈছিল ।

অংকীয়া নাটৰ আন এক অপৰিহাৰ্য অংগ হ'ল নাচ বা নৃত্য । ভাৰতীয় পৰম্পৰা মতে নৃত্যই নাট্য বা ৰুপকলৈ বিকশিত হৈছে । গতি কে নাটৰ লগত নৃত্যৰ অবিচ্ছেদ্য সম্পৰ্ক । ড. নেওগে শংকৰী সংস্কৃতিৰ অমূল্য সম্পদ নৃত্য সমূহক তলত দিয়া ধৰণে নামকৰণ কৰিছে, সূত্ৰধাৰী নাচ, গোসাঁই প্ৰৱেশষ নাচ, গোপী প্ৰৱেশষ নাচ, যুদ্ধৰ নাচ, ধেমালি-চাহিনী, চালি নাচ, ৰজাঘৰীয়া নাচ, ঝুমুৰা-নাচ, নাদু-ভংগি, বেহাৰ নাচ, মানচোক নাচ, বৰ প্ৰৱেশষ নাচ । কোনোৱে ইয়াক থোৰতে সূত্ৰধাৰী নৃত্য, চালি নাচ, কৃষ্ণ-ভংগি, গোপী নৃত্য বা ৰাসৰ নাচ আদি নামেৰেও নামকৰন কৰিছে ।

**46.** শংকৰদেৱে সৃজনী প্ৰতিভাৰ যথা সৰ্বস্ব নৱবৈষ্ণৱ আন্দোলন সফল কৰি তোলাও প্ৰয়োগ কৰিছিল, কাৰণ -

(A) শংকৰদেৱ প্ৰতিভাশালী ব্যক্তি আছিল ।

(B) শংকৰদেৱে সৃজনী প্ৰতিভাৰ বিকাশ ঘটাৰ বিচাৰি ছিল ।

(C) সৃজনী প্ৰতিভাৰ প্ৰয়োগৰ দ্বাৰা নৱবৈষ্ণৱ আন্দোলনৰ প্ৰতি জনসাধাৰনক আকৃষ্ট কৰিব বিচাৰি ছিল ।

(D) শংকৰদেৱ নৃত্য-গীত-বাদ্যত কুশল আছিল ।

**47.** সূত্ৰধাৰেই অংকীয়া নাটকেৰৰ মূল ব্যক্তি, কাৰণ -

(A) সূত্ৰধাৰে নান্দী শ্লোক পাঠ কৰে ।

(B) সূত্ৰধাৰে কাহিনীৰ সংযোগ সূত্ৰ ৰক্ষা কৰে ।

(C) সূত্ৰধাৰে নৃত্য, গীত দুয়োটাই কৰে ।

(D) সূত্ৰধাৰে চৰিত্ৰৰ আগমন ঘোষনা কৰে ।

**48.** এই নাটকেৰ যথাৰ্থতে গীতি নৃত্য-নাট, কাৰণ -

(A) ইয়াত কেৱল জীত আৰু নৃত্যহে থাকে ।

(B) গীত, নৃত্য আৰু অৰ্থপূৰ্ণ মুদ্ৰাৰ দ্বাৰা কাহিনী আগবঢ়োৱা হয় ।

(C) ইয়াত কথা বা বচনে গুৰুত্ব না পায় ।

(D) চৰিত্ৰই নৃত্যৰ ভংগিত প্ৰৱেশ কৰে ।

**49.** ইয়েই সুদূৰ পঞ্চদশ শতিকাতে অসমীয়া সংস্কৃতিক চহকী কৰি তুলিছিল, কাৰণ -

(A) সেই সময়ত ইয়েই আছিল একমাত্ৰ মনোৰঞ্জনক অনুষ্ঠান ।

(B) ইয়াৰ জৰিয়তে বাদ্য যন্ত্ৰ, নাচ, গীত, অভিনয়ৰ বিভিন্ন অংগ বিকশিত হৈছিল ।

(C) ই আছিল শংকৰদেৱৰ অনবদ্য অৱদান ।

(D) ইয়াৰ যোগেদি নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ হৈছিল ।

**50.** নাটৰ লগত নৃত্যৰ অবিচ্ছেদ্য সম্পৰ্ক, কাৰণ -

(A) নৃত্য অংকীয়া নাটৰ অপৰিহাৰ্য অংগ ।

(B) নৃত্যসমুহ শংকৰী সংস্কৃতিৰ অমূল্য সম্পদ ।

(C) ভাৰতীয় পৰম্পৰামতে নৃত্যই নাট্য বা ৰূপকলৈ বিকশিত হৈছে ।

(D) নৃত্য বোৰ মনোৰঞ্জনৰ আহিলা ।

**Space for Rough Work**